**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। লোকসভা আৰু বিধানসভা সমষ্টিসমূহৰ প্ৰস্তাৱিত পুনৰ নিৰ্ধাৰণ বিষয়টো সন্দৰ্ভত বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ পৰিপ্ৰেক্ষিতত আজি সাংসদৰ উভয় সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

২। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত মাইক্ৰ'ছফ্‌টৰ সহ-প্ৰতিষ্ঠাপক বিশিষ্ট উদ্যোগপতি বিল গেইটছৰ সৈতে আলোচনাত মিলিত হয়।

৩। চলিত বৰ্ষৰ জানুৱাৰীত কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাত ১৭ লাখ ৮৯ হাজাৰ নতুন সদস্য অন্তৰ্ভুক্ত হৈছে।

৪। ছত্তিশগড়ত আজি দুটা পৃথক ঘটনাত ৩০ জন মাওবাদী নিহত হয়।

*আৰু*

৫। অসমৰ প্ৰতিভাসম্পন্ন খেলুৱৈ ৰিয়ান পৰাগে আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছৰ হৈ প্ৰথম তিনিখন খেলৰ নেতৃত্ব বহন কৰিব।

ooooo

লোকসভা আৰু বিধানসভা সমষ্টিসমূহৰ প্ৰস্তাৱিত পুনৰ নিৰ্ধাৰণ বিষয়টো সন্দৰ্ভত ডি এম কে আৰু অন্যান্য বিৰোধী সাংসদসকলে কৰা প্ৰতিবাদৰ মাজতে আজি সাংসদৰ উভয় সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। লোকসভাৰ কামকাজ দ্বিতীয়বাৰৰ বাবে স্থগিত হোৱাৰ পাছত দিনৰ ২ বজাত ইয়াৰ কামকাজ পুনৰ আৰম্ভ হোৱাৰ সময়ত ডি এম কেৰ সাংসদসকলে বিষয়টোৰ প্ৰতিবাদত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে এই বিষয়টোক লৈ বিৰোধী সাংসদসকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত সদনৰ কামকাজ দুবাৰকৈ স্থগিত ঘোষণা কৰা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ডি এম কে সদস্যসকলৰ প্ৰতিবাদীৰ বিৰোধিতা কৰি সদনৰ কামকাজ নিয়ম অনুসৰি চলাই নিয়া হ'ব বুলি ঘোষণা কৰে। শ্ৰী বিৰলাই কেইগৰাকীমান সদস্যই সদনৰ নিয়ম আৰু মৰ্যদা ভংগ কৰা বুলি তেওঁ মন্তব্য কৰে। প্ৰতিবাদী সদস্যসকলে বিষয়টো শ্লোগান উল্লেখ থকা টি-ছাৰ্ট পৰিধান কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। ইয়াৰ পাছত অধ্যক্ষই তেওঁলোকক সদন ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পাছতো ডি এম কে আৰু আন কেতবোৰ বিৰোধী সাংসদে পৰিস্থিতি পুনৰ উত্তপ্ত কৰি তোলে।

একেটা বিষয়তেই ৰাজ্যসভাৰ কামকাজো আজি চাৰিবাৰকৈ স্থগিত ৰখা হয়। তৃতীয়বাৰ সদন স্থগিত হোৱাৰ পাছত ২ বজাত ইয়াৰ কামকাজ পুনৰ আৰম্ভ হোৱাৰ সময়ত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে সদনত উত্তপ্ত পৰিস্থিতি অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ কামকাজ দিনটোৰ বাবে স্থগিত ঘোষণা কৰে।

ooooo

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত মাইক্ৰ'ছফ্‌টৰ সহ-প্ৰতিষ্ঠাপক বিশিষ্ট উদ্যোগপতি বিল গেইটছৰ সৈতে আলোচনাত মিলিত হয়। ভাৰতৰ উদ্ভাৱনী খণ্ডত আৰু জৈৱ নিৰ্মাণ ক্ষেত্ৰত ব্যক্তিগত খণ্ড আৰু ষ্টাৰ্টআপৰ অংশগ্ৰহণ বৃদ্ধি কৰায়েই  এই আলোচনাৰ মূল উদ্দেশ্যে। বৈঠকত ড০ সিঙে পৰিৱেশ, নিয়োগৰ সুবিধা আৰু অৰ্থনীতিৰ বাবে জৈৱ প্ৰযুক্তিৰ লেখীয়া নীতিসমূহৰ বাবে দেশত জৈৱ প্ৰযুক্তি উদ্ভাৱন খণ্ডত চকুত লগা পৰিৱৰ্তন পৰিলক্ষিত হৈছে বুলি মন্তব্য কৰে। শ্ৰী গেইটছে কোভিড-১৯ আৰু এইছ পি ভি প্ৰতিষেধককে ধৰি অন্যান্য প্ৰতিষেধকৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ বিষয়ে উল্লেখ কৰি জৈৱ প্ৰযুক্তি বিকাশৰ শলাগ লয়। তেওঁ লগতে যক্ষ্মা আৰু মেলেৰিয়াৰ লেখীয়া ৰোগসমূহৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে। ড০ সিং আৰু শ্ৰী গেইটছে  দেশৰ জৈৱ প্ৰযুক্তি ষ্টাৰ্টআপ খণ্ডৰ বিকাশ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰে।

০০০০০

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাভিছে আজি মুম্বাইত মাইক্ৰ'ছফটৰ সহ-প্ৰতিষ্ঠাপক বিল গেইটছক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি শ্ৰী গেইটছ মুখ্যমন্ত্ৰী ফাড়নাভিছে স্বাস্থ্য, কৃষি আৰু আন্তঃগাঁথনি খণ্ডত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ সন্দৰ্ভত ফলপ্ৰসূ আলোচনা কৰে। দুয়োগৰাকী নেতাই ডিজিটেল শাসন আৰু সেৱাৰ অধিকাৰ বিষয়ত মহাৰাষ্ট্ৰক দেশৰ ভিতৰতে এখন আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আলোচনাত মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়ভিছৰ মহিলা স্ব-নিয়োজন আৰু আঁচনিৰ অধীনত ২৫ লাখ লাখপতি দিদি গঢ় দিয়াৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত অংশীদাৰ হ'বলৈ গেইটছ ফাইণ্ডেছনে আগ্ৰহ প্ৰকাশ কৰে।

০০০০০

চলিত বৰ্ষৰ জানুৱাৰীত কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাত ১৭ লাখ ৮৯ হাজাৰ নতুন সদস্য অন্তৰ্ভুক্ত হৈছে। ২০২৪ বৰ্ষৰ ডিচেম্বৰৰ তুলনাত সদস্য সংখ্যা ১১ দশমিক ৪-৮ শতাংশ বৃদ্ধি পাইছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ মতে নিয়োগৰ সুযোগ বৃদ্ধি, কৰ্মচাৰীৰ লাভালাভ সন্দৰ্ভত সজাগতা বৃদ্ধি আৰু কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাই লোৱা পদক্ষেপৰ বাবেই সদস্য সংখ্যা বৃদ্ধি পাইছে। ১৮ৰ পৰা ২৫ বছৰ বয়সৰ ৪ লাখ ৭০ হাজাৰ নতুন সদস্যৰ পেৰোল তথ্যত আলোকপাত কৰা হৈছে। এই সময়ছোৱাত দুই লাখ ১৭ হাজাৰ নতুন মহিলা সদস্য অন্তৰভুক্ত হোৱা বুলি তথ্যত প্ৰকাশ পাইছে।

০০০০০

নিৰ্বাচনী প্ৰক্ৰিয়া অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে যোৱা এটা মাহত নিৰ্বাচন আয়োগে কেতবোৰ দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। নিৰ্বাচন আয়োগে আজি এখন বিজ্ঞপ্তি যোগে এই বুলি কৈছে যে, আয়োগে প্ৰায় এক কোটি নিৰ্বাচনী বিষয়াৰ বাবে কেতবোৰ ডিজিটেল প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰিকল্পনা কৰিছে। আয়োগে কৈছে যে, জ্ঞানেশ কুমাৰে নতুন মুখ্য নিৰ্বাচনী আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ এমাহৰ ভিতৰতেই নিৰ্বাচনী আয়ুক্তদ্বয় ড০ সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীৰ সৈতে লগ লাগি সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ ব্যাপক পৰিৱৰ্তন সাধন কৰিছে। আয়োগে দেশজুৰি ভুৱা ভোটাৰ পৰিচয় পত্ৰৰ শতিকাজোৰা সমস্যাটো তিনি মাহৰ ভিতৰত সমাধান কৰিবলৈ সমৰ্থ হৈছে বুলিও বিজ্ঞপ্তিখনত লগতে প্ৰকাশ কৰা হৈছে।

০০০০০

ছত্তিশগড়ত আজি দুটাকৈ পৃথক ঘটনাত ৩০ জন মাওবাদী নিহত হয়। মাওবাদীৰ সৈতে হোৱা সংঘৰ্ষত জিলা সংৰক্ষিত বাহিনী, ডি আৰ জিৰ এজন জোৱানো শ্বহীদ হয়। এই সন্দৰ্ভত লাভ কৰা তথ্য অনুসৰি নক্সাল বিৰোধী অভিযান চলোৱাৰ বাবে নিৰাপত্তা বাহিনীৰ এটা যুটীয়া দল বিজাপুৰ আৰু দান্তেৱাড়া জিলাৰ সীমান্তৱৰ্ত্তী বনাঞ্চলত উপস্থিত হোৱাৰ সময়তে মাওবাদীৰ দলটো তেওঁলোকৰ সৈতে সংঘৰ্ষত লিপ্ত হয়।

ঘটনা স্থলীৰ পৰা এতিয়ালৈকে ২৬ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ লগতে বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও জব্দ কৰা হয়। অঞ্চলটোত তালাচী অভিযান এতিয়াও অব্যাহত আছে বুলি আকাশবাণীৰ ছত্তিশগড়ৰ সংবাদদাতাই জানিবলৈ দিছে। ৰাজ্যখনৰ কানকেৰ জিলাতো নিৰাপত্তা বাহিনীয়ে চলোৱা আন এটা অভিযানত ৪ জন মাওবাদী নিহত হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে নক্সালবাদীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে সকলোবোৰ সুবিধা আগবঢ়োৱাৰ পাছতো আত্মসমৰ্পণ নকৰা উগ্ৰবাদীসকলৰ বিৰুদ্ধে চৰকাৰে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে নক্সালমুক্ত ভাৰত অভিযানৰ ক্ষেত্ৰত দেশ সৈন্য-বাহিনীয়ে সফলতা লাভ কৰিছে। শ্ৰী শ্বাহে কয়, যে অহা বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত দেশ নক্সালমুক্ত হ'ব।

ooooo

একতাৰ প্ৰতিমূৰ্তি বা ষ্টেচু অব্ ইউনিটিৰ নিৰ্মাতা, বৰেণ্য ভাস্কৰ ৰাম সুতাৰক মহাৰাষ্ট্ৰ চৰকাৰে ৰাজ্যখনৰ সৰ্বোচ্চ অসামৰিক সন্মান মহাৰাষ্ট ভূষণ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিজে ৰাজ্যৰ বিধানসভাত আজি এই কথা ঘোষণা কৰে।

পদ্ম ভূষণ সন্মানেৰে সন্মানিত ভাস্কৰ ৰাম সুতাৰে ১৮২ মিটাৰ উচ্চতাৰ বিশ্বৰ আটাইতকৈ ওখ মূৰ্তি ষ্টেচু অব্ ইউনিটিৰ আৰ্হি প্ৰস্তুত কৰিছিল। মুখ্যমন্ত্ৰী ফাড়নাবিজে কয়, যে ভাস্কৰ ৰাম সুতাৰক ৰাজ্যখনৰ সৰ্বোচ্চ সন্মান প্ৰদান কৰিবলৈ গঠন হোৱা ১২ জনীয়া সমিতিৰ তেওঁ মুখ্য নেতৃত্ব গ্ৰহণ কৰিছিল। শ্ৰী সুতাৰে মুম্বাইৰ ইন্দোমিল মেম'ৰিয়েল প্ৰকল্পত আম্বেডকাৰৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে বৰ্তমান কাম কৰি আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে শ্ৰী সুতাৰে অযোধ্যত ২৫১ মিটাৰ উচ্চতাৰ ভগৱান ৰামৰ প্ৰতিমূৰ্তি, বেংগালুৰুত ১৫৩ ফুট উচ্চতাৰ ভগৱান শিৱৰ প্ৰতিমূৰ্তি আৰু পুনেৰ মছিত ১০০ ফুট উচ্চতাৰ ছত্ৰপতি সম্ভাজী মহাৰাজৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ লগতে আন বহু উল্লেখযোগ্য প্ৰকল্পৰ সৈতে জড়িত হৈ আহিছে।

ooooo

চৰকাৰে ৫ লাখ খেতিয়কক উপকৃত কৰাৰ উদ্দেশ্যে বিভিন্ন আঁচনিৰ অধীনত খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সৈতে জড়িত এহেজাৰ ১০০ টা আন্তঃগাঁথনি প্ৰকল্পত অনুমোদন জনাইছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত খাদ্য সংসাধন উদ্যোগৰ ৰাজ্য মন্ত্ৰী ৰাৱনীত সিঙে এই কথা প্ৰকাশ কৰে। এই আঁচনিসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী কিষাণ সম্পদ যোজনা, খাদ্য সংস্কৰণ উদ্যোগৰ সৈতে জড়িত উৎপাদনসমূলক আঁচনি আৰু প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংস্কৰণ উদ্যম অঁচনিও আছে। তেওঁ কয়, যে মন্ত্ৰালয়ে ৪৪ হাজাৰ কোটি টকা ব্যায়ৰে ৪১ খন মেগা খাদ্য উদ্যান প্ৰকল্পৰ নিৰ্মাণত অনুমোদন জনাইছে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত খেল' ইণ্ডিয়া পেৰা গেমছৰ দ্বিতীয় সংস্কৰণ উদ্বোধন কৰে। এই ক্ৰীড়া প্ৰতিযোগিতা ৰাষ্ট্ৰীয় ৰাজধানীখনৰ তিনিটা স্থানত আয়োজন কৰা হ'ব। তেৰশতকৈও অধিক পেৰা এথলীটে মুঠ ছটা ক্ৰীড়া শিতানত অংগ্ৰহণ কৰিব। আজি পুৱা ইন্দিৰা গান্ধী ষ্টেডিয়ামত বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কাইলৈৰ পৰা পেৰা এথলেটিকছ্ প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। একেদৰে শনিবাৰৰ পৰা পেৰা আৰ্চাৰী আৰু দেওবাৰৰ পৰা ভাৰোত্তোলন প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। পেৰা শুটিং প্ৰতিযোগিতাসমূহ কাইলৈৰ পৰা ড০ কৰ্নী সিং শুটিং ৰেঞ্জত অনুষ্ঠিত হ'ব। এইবাৰৰ সংস্কৰণত ফুটবলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। জনসাধাৰণে দূৰদৰ্শনৰ যোগে খেলসমূহৰ পোনপটীয়া সম্প্ৰচাৰ চাব পাৰিব।

০০০০০

অসমৰ প্ৰতিভাসম্পন্ন খেলুৱৈ ৰিয়ান পৰাগে আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছ দলৰ প্ৰথম তিনিখন খেলত নেতৃত্ব বহন কৰিব। দলটোৱে আজি আনুষ্ঠানিকভাৱে এই কথা ঘোষণা কৰে। এই অনুসৰি ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অহা ২৩ মাৰ্চত, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে ২৬ মাৰ্চত আৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৩০ মাৰ্চত হ'বলগীয়া খেলকেইখনত ৰিয়ানে অধিনায়কৰ দায়িত্ব পালন কৰিব। পৰৱৰ্ত্তী পৰ্যায়ত সম্পূৰ্ণৰূপে সুস্থ হৈ উঠাৰ পাছত সঞ্জু ছেমচনে দলটোৰ নেতৃত্ব বহন কৰিব বুলিও ঘোষণা কৰা হৈছে।

উল্লেখযোগ্য যে, আই পি এলৰ অষ্টাদশ সংস্কৰণৰ প্ৰতিযোগিতা অহা ২২ মাৰ্চত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত